প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## কোভিড-১৯ প্ৰতিৰোধী অভিযান

# চতুৰ্দশ বিত্তীয় আয়োগৰ পুঁজি ব্যৱহাৰৰ বাবে চৰকাৰে জাৰি কৰিলে নীতি-নিৰ্দেশনা

**গুৱাহাটী ৩০ এপ্ৰিলঃ** অসমৰ গ্ৰাম্য অঞ্চলত কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ বৰ্তমান সময়ত গাঁও পঞ্চায়তসমূহে বিশেষভাৱে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত দিবলগীয়া গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেৰ তৎপৰতাত অসম চৰকাৰে চতুৰ্দশ বিত্তীয় আয়োগৰ পুঁজি ব্যৱহাৰৰ বাবে নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি এই পুঁজি গাঁও পঞ্চায়তবোৰে ২০২১ৰ ৩১মাৰ্চলৈ ব্যৱহাৰ কৰিব পাৰিব। চতুৰ্দশ বিত্তীয় আয়োগৰ শেষৰটি কিস্তি যোৱা ২১ মাৰ্চত মুকলি কৰি দিয়া হৈছিল। এই পুঁজিৰ দহ শতাংশ স্বচ্ছতা ৰক্ষাৰ কামত ব্যৱহাৰ কৰিব পাৰিব। অৱশ্যে গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনাত ইতিমধ্যে গৃহীত হৈ থকা এনে স্বাস্থ্যৰক্ষাৰ আঁচনি যেনে খোৱা পানী, অনাময় ব্যৱস্থা আদিৰ ক্ষেত্ৰত পুঁজি খৰচৰ পৰিমাণত উল্লেখিত সীমা প্ৰযোজ্য নহ'ব।

গাঁও পঞ্চায়তসমূহে বৰ্তমানৰ পৰিস্থিতিত অতিকে প্ৰয়োজনীয় মাস্ক কিনিবৰ বাবেও এই পুঁজি ব্যৱহাৰ কৰিবৰ বাবে বিভাগে নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি প্ৰতিখন গাঁও পঞ্চায়তে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনৰ আত্মসহায়ক গোটসমূহে প্ৰস্তুত কৰি উলিওৱা মাস্কহে কিনিব পাৰিব। বিভাগৰ আয়ুক্তৰ অনুমতি অবিহনে কোনোৱে আন সূত্ৰৰ পৰা মাস্ক ক্ৰয় কৰিব নোৱাৰিব। মাস্ক কিনিবৰ বাবে গাঁও পঞ্চায়ত সচিবে তেওঁৰ উন্নয়ন খণ্ডৰ প্ৰকল্প প্ৰৱন্ধকলৈ মাস্কৰ প্ৰয়োজনীয় চাহিদা জনাব আৰু এই চাহিদাৰ ভিত্তিত প্ৰকল্প প্ৰৱন্ধকে মাস্ক প্ৰস্তুত কৰাৰ বাবে ইতিমধ্যে প্ৰশিক্ষিত আৰু প্ৰস্তুতি কাৰ্যত নিয়োজিত আত্মসহায়ক গোটসমূহক এই কামৰ বাবে সমবিতৰণ ব্যৱস্থাৰে নিয়োজিত কৰিব। প্ৰকল্প প্ৰৱন্ধকে মাস্কসমূহ চৰকাৰী নিৰ্দেশনা মতে প্ৰস্তুত কৰাটো নিশ্চিত কৰাৰ উপৰি গাঁও পঞ্চায়তসমূহলৈ যোগান ধৰাৰ আগতে সম্পূৰ্ণৰূপে বীজাণুমুক্ত (sterilized) কৰিব লাগিব। তদুপৰি মাস্ক তৈয়াৰ কৰাৰ সময়ত গোটসমূহে মাস্ক পৰিধান কৰা, সঘনাই হাত ধোৱা, দূৰত্ব বজাই ৰখাটোও নিশ্চিত কৰিব লাগিব। প্ৰতিটো মাস্কৰ দাম ২৫টকা নিৰ্দ্ধাৰণ কৰা হৈছে। এই মাস্কৰ মূল্য গাঁও পঞ্চায়তসমূহে পোনপটীয়াকৈ আত্মসহায়ক গোটৰ একাউণ্টত প্ৰদান কৰিব।

এই মাস্কসমূহ আৰ্থিকভাৱে অতি দুৰ্বল শ্ৰেণীৰ লোক, জবকাৰ্ড থকা ব্যক্তিসকল, কৃষি ক্ষেত্ৰত জড়িত শ্ৰমিকসকল, পি এম এ ৱাই জিৰ আৱাস গৃহ নিৰ্মাণ কাৰ্যত জড়িত শ্ৰমিকসকল, কোনো ঠিকাদাৰে নিয়োজিত নকৰা শ্ৰমিক, কোভিড-১৯ মহামাৰীৰ প্ৰতিৰোধৰ বাবে বীজাণুমুক্তকৰণত নিয়োজিত কৰ্মীসকলৰ লগতে এই কামত অংশ লোৱা পঞ্চায়ত পৰ্যায়ৰ স্বেচ্ছাসেৱীসকলৰ মাজত

বিতৰণ কৰিব লাগিব।

আনহাতে গাঁও অঞ্চলত এই মহামাৰীৰ ভয়াবহ সংক্ৰমণ প্ৰতিৰোধৰ বাবে প্ৰতিখন পঞ্চায়তে নিজ নিজ এলেকাৰ অন্তৰ্গত গাঁৱৰ বাট-পথ, নলা-নৰ্দমা, বিদ্যালয়, মহাবিদ্যালয়কে ধৰি ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান, প্ৰেক্ষাগৃহ, অংগনবাড়ী কেন্দ্ৰ, হাস্পতাল, পুথিভঁড়াল, পঞ্চায়ত ভৱন, বজাৰ গৃহ, বেংক, ডাকঘৰ, সাধাৰণ সেৱা কেন্দ্ৰ আৰু পশু চিকিৎসালয়ত বীজাণুমুক্ত কৰা আৰু ধোৱা দিয়া কাম হাতত ল'ব। এই ক্ষেত্ৰত ব্যৱহাৰ কৰিবলগীয়া বীজাণুনাশক, ইয়াৰ পৰিমাণ আৰু সা-সৰঞ্জাম আদি সম্পৰ্কত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই পঞ্চায়তসমূহক নীতি-নিৰ্দেশনা দিব। পঞ্চায়তসমূহে জনস্বাস্থ্য কাৰিকৰী আৰু স্বাস্থ্য বিভাগৰ স্থানীয় বিষয়াসকলৰ সহযোগত এই কাৰ্য ৰূপায়িত কৰিব লাগিব। এই বিষয়াসকলৰ নিৰ্দেশনা মতে প্ৰয়োজনীয় বীজাণুনাশক আদি বজাৰদৰত কিনিব পাৰিব যদিও সা-সৰঞ্জামৰ ক্ষেত্ৰত কৃষি, স্বাস্থ্য আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহায় ল'ব পাৰি নেকি সেইটো প্ৰথমে চাব লাগিব। এই সমস্ত কামৰ আলোক চিত্ৰকে ধৰি সম্পূৰ্ণ তথ্য সংৰক্ষণ কৰিব লাগিব আৰু সকলো খৰচ ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনা পদ্ধতি (PFMS)ৰ জৰিয়তে কৰিব লাগিব।

পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ চতুৰ্দশ বিত্তীয় আয়োগৰ পুঁজিৰে এই কাম কৰিবলৈ পঞ্চায়তসমূহে প্ৰয়োজন অনুসৰি গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনাৰ সালসলনি কৰিব পাৰিব যদিও পিছলৈ গাঁও সভাত ইয়াৰ অনুমোদন ল'ব লাগিব। চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিয়া এই নিৰ্দেশনাসমূহ মানি চলি কাম আৰম্ভ কৰিবলৈ ইতিমধ্যে বিভাগৰ আয়ুক্ত হেমেন দাসে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াসকললৈ নিৰ্দেশনা জাৰি কৰিছে।

*এম আৰ ডি/৩০-০৪-২০২০*